“সাৱধান! অনতিপলমে এনেকুৱা সময় আহিব যে, এজন ব্যাক্তিয়ে নিজৰ আসনত আউজি বহি থকা অৱস্থাত তাৰ ওচৰলৈ যেতিয়া কোনো হাদীছ গৈ পাব, তেতিয়া সি ক'ব: আমাৰ আৰু তোমালোকৰ মাজত আল্লাহৰ কিতাব আছে

মিক্বদাম ইবনু মা‘দী কাৰিব ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বর্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: “সাৱধান! অনতিপলমে এনেকুৱা সময় আহিব যে, এজন ব্যাক্তিয়ে নিজৰ আসনত আউজি বহি থকা অৱস্থাত তাৰ ওচৰলৈ যেতিয়া কোনো হাদীছ গৈ পাব, তেতিয়া সি ক'ব: আমাৰ আৰু তোমালোকৰ মাজত আল্লাহৰ কিতাব আছে। গতিকে আমি তাত যি হালাল বুলি পাম সেইখিনিকে হালাল বুলি গণ্য কৰিম আৰু তাত যি হাৰাম বুলি পাম সেইখিনিকে হাৰাম বুলি গণ্য কৰিম। (সেই ব্যক্তিয়ে জানি থোৱা উচিত, নবী চাল্লাল্লাহু আলাইহি
অছাল্লামে কৈছে:) নিশ্চয় ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে যি হাৰাম
কৰিছে সেইখিনিও আল্লাহে হাৰাম কৰাৰ দৰেই।” [ছহীহ] [(আবু দাঊদ, তিৰমিজী, ইবনে মাজাহ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, এনেকুৱা এটা সময় অচিৰেই আহিব যেতিয়া এক প্ৰকাৰ মানুহ এনেকুৱা হ'ব যে, নিজৰ আসনত বহি থকা অৱস্থাত সিহঁতৰ মাজৰ কাৰোবাৰ ওচৰলৈ হাদীছ গৈ পালে ক'ব যে, আমাৰ আৰু তোমালোকৰ মাজত দ্বীনি বিষয়বোৰ বিতংভাৱে ফয়চালা কৰিবলৈ কোৰআনেই যথেষ্ট। আমি তাত যি হালাল বুলি পাম, সেইটোৰ ওপৰতে আমল কৰিম আৰু তাত যি আমি হাৰাম বুলি পাম সেইটোৰ পৰাহে আমি বিৰত থাকিম। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা স্পষ্ট কৰিছে যে, তেখেতে হাদীছৰ মাধ্যমত যিবোৰ বস্তু হাৰাম কৰিছে বা যিবোৰৰ পৰা নিষেধ কৰিছে, বিধানৰ ক্ষেত্ৰত সেইবোৰো কোৰআনত আল্লাহে হাৰাম কৰা বিধানৰ দৰেই। কাৰণ তেখেত হৈছে আল্লাহৰ ফালৰ পৰা বাৰ্তাবাহক।

https://sunnah.global/hadeeth/as/show/65005